



আপোনাৰ মনৰ কথা আমি কম

# আমি অসমৰ জনগণ






RNI-Regd. No. : ASSASS/2014/56968

■ e-paper : www.aajnews.in

৪ৰ্থ বছৰ ● সংখ্যা ১৩৩ ● ৫ আহাৰ, ১৯৩৯ শক ● মঙলবাৰ, ২০ জুন, ২০১৭ ● Aami Asomor Janagan, Vol-IV, No.-133 Guwahati, Tuesday, June 20, 2017 গুৱাহাটী সংস্কৰণ পৃষ্ঠা-১২ মূল্য ঃ ৭.০০ টকা


দলিত নেতাক এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ঘোষণা অমিত শ্বাহৰ

## ৰাইচিনা হিলৰ নতুন বাসিন্দা হোৱাৰ দিশে ৰামনাথ কোবিন্দ



**নতুন দিল্লী, ১৯ জুন ঃ** দেশৰ চতুৰ্দশ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত চৰ্চা চলি থকাৰ সময়তেই শাসনাধিষ্ঠিত বিজেপিয়ে সুচতুৰ ৰণকৌশলেৰে বিহাৰৰ ৰাজ্যপাল ৰামনাথ কোবিন্দক এই পদৰ নিজ দলৰ ■ ৮ পৃষ্ঠাত

## জিএছটিৰ ব্ৰেণ্ড এম্বেছাডৰ বিগ-বি



**নতুন দিল্লী, ১৯ জুন ঃ** 'এক দেশ এক কৰ' আইন বলৱৎ কৰি কেন্দ্ৰীয় চৰকাৰে দেশৰ অৰ্থনৈতিক ব্যৱস্থালৈ এক নতুন দিগন্তৰ সূচনা কৰাৰ কথা ইতিমধ্যে ঘোষণা ■ ৮ পৃষ্ঠাত

অম্বুবাচী মেলালৈ মাজত মাত্ৰ দুদিন ঃ নীলাচল পাহাৰলৈ ভিন্নবেশী বাবাৰ আগমন

## ন-কইনাৰ ৰূপত কামাখ্যা দেৱালয়, লাখ লাখ ভক্তক আদৰিবলৈ প্ৰশাসনৰ যুদ্ধকালীন প্ৰস্তুতি

**অম্বুবাচী মেলাত উগ্ৰপন্থীৰ আক্ৰমণৰ আশংকা নাই ঃ পল্লৱ ভট্টাচাৰ্য**

**জনগণ ষ্টাফ, ১৯ জুন ঃ** মহা অম্বুবাচী মেলালৈ মাজত মাথোঁ দুটা দিন বাকী থকা অৱস্থাত অম্ববাচী মেলা অতি শৃংখলাবদ্ধ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ প্ৰস্তুতি তুংগত তুলিছে কামাখ্যা দলৈ সমাজ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে। সম্প্ৰতি এক উখল-মাখল পৰিৱেশে বিৰাজ কৰা মা কামাখ্যা ধামক ন-কইনাৰ ৰূপত সজাই-পৰাই তোলাত ব্যস্ত দলৈ সমাজ-প্ৰশাসন। দেশ-বিদেশৰ লাখ লাখ ভক্তই ভিৰ কৰা মহা অম্বুবাচী মেলাত এইবেলি পাঁচশজন চাফাই কৰ্মী নিয়োগ কৰিছে প্ৰশাসনে। নীলাচল পাহাৰৰ লগতে মহানগৰীৰ বিভিন্ন স্থানত ভক্তপ্ৰাণ ৰাইজৰ সুবিধাৰ্থে অস্থায়ী শিবিৰ পতা হৈছে। একেদৰে ১,০০০ সুৰক্ষা কৰ্মী আৰু স্বেচ্ছাসেৱক নিয়োগ ■ ৮ পৃষ্ঠাত



কামাখ্যা ধামত লম্পট বাবাৰ কামনাৰ বলি জাৰ্মানীৰ যুৱতী

## সমস্যা সমাধানৰ প্ৰতিশ্ৰুতিৰে অশ্লীল ভিডিঅ' প্ৰস্তুত ভণ্ড বাবাৰ

**ব্লেকমেইলিঙেৰে সৰকালে ৩ লাখ টকা ঃ অতিষ্ঠ হৈ ভুক্তভোগীয়ে মুম্বাইত তৰিলে গোচৰ**



**জনগণ ষ্টাফ, ১৯ জুন ঃ** অসম তথা ভাৰতবৰ্ষক বিশ্বৰ বুকুত লজ্জানত কৰি শক্তিপীঠ কামাখ্যাৰ ঐতিহ্য, গৰিমাক কলংকিত কৰি ভণ্ড বাবাই সংঘটিত কৰা এক পৈশাৰিক কাৰ্যই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মহা অম্বুবাচী মেলালৈ মাথোঁ দুটা দিন বাকী থকাৰ সময়তে সাইলাল হীৰালাল জেদীয়া ■ ৮ পৃষ্ঠাত

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ সফলতাত কালিমা সানিলে মন্ত্ৰালয়ে

# আঁচনিৰ প্ৰচাৰৰ নামত মিথ্যাচাৰ !

**কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে আন্তঃৰাষ্ট্ৰীয় সীমাত ফ্লাড লাইট স্থাপনৰ নামত দেখুৱালে স্পেইন-মৰক্কোৰ ছবি ■ কয়লা মন্ত্ৰালয়ে বিকাশ দেখুৱাবৰ বাবে এমনেষ্টী ইণ্টাৰনেচনেলৰ পৰা চুৰি কৰা ছবিয়ে সৃষ্টি কৰিছে বিতৰ্কৰ**

**জনগণ ডেস্ক, ১৯ জুন ঃ** স্বাধীনতাৰ ছয় দশক পাছতো একমাত্ৰ কংগ্ৰেছ দলৰ বাবেই ভাৰতে বিকাশ লাভ কৰাৰ পৰিৱৰ্তে পশ্চাদমুখে যাত্ৰা কৰাৰ অভিযোগ তুলি পৰিৱৰ্তনৰ শ্ল'গানেৰে শাসনৰ ক্ষমতালৈ অহা বিজেপিৰ কেন্দ্ৰীয় চৰকাৰখনৰ স্বচ্ছতাৰ গৌৰৱত কালিমা লাগিছে। কেন্দ্ৰীয় চৰকাৰৰ দুটাকৈ বিভাগৰ বিৰুদ্ধে উত্থাপন হৈছে আনৰ ছবি চুৰি কৰি নিজৰ আঁচনিৰ প্ৰচাৰ চলোৱাৰ। প্ৰথমে দেশৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰত-পাক সীমান্তত ফ্লাড লাইট স্থাপন কৰা দেখুৱাই স্পেইন আৰু মৰক্কোৰ সীমাৰ ছবি প্ৰচাৰ কৰাৰ পাছত কয়লা মন্ত্ৰালয়ে দেশৰ কয়লা খনিৰ উন্নয়ন দেখুৱাবলৈ ■ ৮ পৃষ্ঠাত





ফেচবুকত নিৰ্যাতিতা আদিবাসী মহিলা

## আদিত্যনাথ-আৰ পি শৰ্মাৰ বিৰুদ্ধে আদালতত গোচৰ লক্ষ্মী ওৰাঙৰ

**জনগণ সেৱা, বিশ্বনাথ চাৰিআলি, ১৯ জুন ঃ** অৱশেষত ন্যায় বিচাৰি বিশ্বনাথ চাৰিআলিৰ ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদত উপস্থিত হ'ল ফেচবুকত পুনৰ নিৰ্যাতিতা হোৱা বেলতলা-কাণ্ডৰ নিৰ্যাতিতা লক্ষ্মী ওৰাং। এইবাৰ বেলতলাত নহয়, ফেচবুকত ৰাজনৈতিক নেতাই পুনৰ নাঙঠ কৰিলে লক্ষ্মী ওৰাঙক। পুনৰ ফেচবুকত নিৰ্যাতনৰ অভিযোগ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ■ ৮ পৃষ্ঠাত



বেলতলা-কাণ্ডৰ নিৰ্যাতিতাৰ ফটো ফেচবুকত আপলোড সন্দৰ্ভত এডিজিপি ভট্টাচাৰ্যৰ প্ৰতিক্ৰিয়া

## যোগী আদিত্যনাথৰ ভুৱা ফেচবুক পেজত দুষ্টচক্ৰৰ ৰাজনৈতিক ৰহণ

**জনগণ ষ্টাফ, ১৯ জুন ঃ** উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ ফেচবুক পেজত অসমৰ বেলতলা-কাণ্ডৰ দুৰ্ভগীয়া যুৱতী লক্ষ্মী ওৰাঙৰ ফটো পুনৰ আপলোড কৰাক কেন্দ্ৰ কৰি সমগ্ৰ ৰাজ্যৰ বিভিন্ন দল-সংগঠন উত্তাল হৈ থকাৰ সময়তেই আৰক্ষীৰ বিশেষ শাখাৰ এডিজিপি পল্লৱ ভট্টাচাৰ্যই আজি কাহিলিপাৰাস্থিত এছ বিৰ মুখ্য কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সংবাদ মেলৰ আয়োজন কৰে। বিষয়টোৰ সন্দৰ্ভত এডিজিপি পল্লৱ ভট্টাচাৰ্যই কয় যে কোনো দুষ্টচক্ৰই উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীৰ নামত ভুৱা ফেচবুক পেজ সৃষ্টি কৰি এনেধৰণৰ অপপ্ৰচাৰ চলায়। উল্লেখ্য যে উত্তৰ প্ৰদেশ আৰক্ষীৰ সৈতেও বিষয়টোৰ সন্দৰ্ভত আলোচনা কৰাৰ প্ৰসংগ উত্থাপন ■ ৮ পৃষ্ঠাত



## গোৱালপাৰাত মেডিকেল-দুধনৈত আয়ুৰ্বেদিক কলেজ স্থাপনৰ প্ৰতিশ্ৰুতি হিমন্তৰ

**জনগণ সেৱা, গোৱালপাৰা, ১৯ জুন ঃ** 'আমি ন্যায়ৰ পক্ষত। ভৱিষ্যতেও ন্যায়ৰ পক্ষত থিয় দি থাকিম। আমাৰ চৰকাৰে কাৰো ব্যক্তিগতভাৱে সহায় নকৰে, আমি সকলোৰে সৈতে, সকলোৰে বিকাশ কৰিম'। —আজি দুপৰীয়া ■ ৮ পৃষ্ঠাত

## কটন বিশ্ববিদ্যালয়লৈ ইউজিচিৰ ১২-বিৰ স্বীকৃতি

**জনগণ ষ্টাফ, ১৯ জুন ঃ** ঐতিহ্যমণ্ডিত এসময়ৰ কটন মহাবিদ্যালয়ে শেহতীয়াকৈ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰাৰ সময়তে নৱস্বীকৃত বিশ্ববিদ্যালয়খনে আন এক কৃতিত্বৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। কটন ৰাজ্যিক ■ ৮ পৃষ্ঠাত

চি আই ডিৰ প্ৰতিটো গোচৰ ক্ষিপ্ৰতাৰে সমাধান কৰাৰ অংগীকাৰ এডিজিপি অনিল ঝাৰ

## পৰ্যাপ্ত বিষয়া-কৰ্মচাৰীৰ অভাৱত চি আই ডিত নিষ্পত্তিহীন হৈ আছে ২৫৬ গোচৰ

**জনগণ ষ্টাফ, ১৯ জুন ঃ** বিজেপি মিত্ৰজোঁট চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দিছপুৰৰ মচনদ দখল কৰাৰ পাছতেই দুৰ্নীতিৰ বিৰুদ্ধে যি ক্ষিপ্ৰতৰ অভিযান চলাইছে সেয়া নিসন্দেহে ৰাজ্যৰ প্ৰশাসনৰ এক নামান্তৰ। শেহতীয়াকৈ বহুকেইটা দুৰ্নীতিৰ গোচৰ অসম আৰক্ষী, চিআইডি আৰু মুখ্যমন্ত্ৰীৰ ভিজিলেন্সে কঠোৰভাৱে তদন্ত কৰাৰ পাছত ৰাজ্যৰ বহু প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ পৰা আৰম্ভ কৰি আমোলা-বিষয়া মাৰাথন ■ ৮ পৃষ্ঠাত

**ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে বান নিয়ন্ত্ৰণৰ প্ৰস্তুতিৰ পৰ্যালোচনা সোণোৱালৰ**

## ক্ষিপ্ৰতাৰে উদ্ধাৰকাৰ্য-সাহায্য সামগ্ৰী বিতৰণৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**জনগণ সেৱা, গুৱাহাটী, ১৯ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ৰাজ্যখনৰ সকলোবোৰ জিলাৰ বানপানীৰ প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সকলোবোৰ জিলা উপায়ুক্তকে বন্যাক্ৰান্তসকলৰ ওচৰলৈ গৈ সাহায্য সামগ্ৰী তৎকালীনভাৱে প্ৰদানৰ নিৰ্দেশ দিয়ে। আজি জনতা ভৱনত 'উন্নতি' শীৰ্ষক ■ ৮ পৃষ্ঠাত

কামাখ্যাত যাত্ৰী সংৰক্ষণ কেন্দ্ৰ মুকলি কেন্দ্ৰীয় ৰে'লমন্ত্ৰীৰ

## তীৰ্থযাত্ৰীৰ বাবে সৰল হ'ব টিকটৰ সংৰক্ষণ আৰু বাতিলৰ প্ৰক্ৰিয়া



**জনগণ ষ্টাফ, ১৯ জুন ঃ** কেন্দ্ৰীয় ৰে'লমন্ত্ৰী সুৰেশ প্ৰভুৱে আজি নতুন দিল্লীৰ পৰা ৰিম'ট কণ্ট্ৰ'ল যোগে কামাখ্যা মন্দিৰত এক যাত্ৰী সংৰক্ষণ কেন্দ্ৰ মুকলি কৰে। আজিৰ এই অনুষ্ঠানত ৰে'লমন্ত্ৰীগৰাকীক সংগ প্ৰদান কৰে কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে। এই কাৰ্যসূচী ■ ৮ পৃষ্ঠাত






দেশজুৰি গো-মাংস বিতৰ্কৰ মাজতে অসম-বাংলাদেশ সীমান্তইদি নিতৌ সৰবৰাহ দুই শতাধিক গৰু

## কৌশলেৰে মেঘালয়ৰ ভূমিত ট্ৰেন্‌জিট কেম্প স্থাপনেৰে অব্যাহত চোৰাং ব্যৱসায়



**গৰুৰ বজাৰ বন্ধ কৰি দিয়া আৰক্ষীৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত গোচৰ**

**জনগণ সেৱা, মানকাচৰ, ১৯ জুন ঃ** এফালে দেশজুৰি গো-মাংসক লৈ তুমুল বিতৰ্ক চলি অহাৰ বিপৰীতে আনফালে অসম তথা দেশৰ আন আন ৰাজ্যৰ পৰা অহা গৰু দৈনিক বাংলাদেশলৈ সৰবৰাহ হৈ অহাক লৈ দক্ষিণ শালমাৰা-মানকাচৰ জিলা আৰক্ষী যিমানে তৎপৰ হৈ উঠিব ■ ৮ পৃষ্ঠাত

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ মেডিকেলৰ প্ৰৱেশ পৰীক্ষাত গুৱাহাটীৰ ছাত্ৰী ৩৭তম স্থানত

**জনগণ সেৱা, গুৱাহাটী, ১৯ জুন ঃ** আটাইতকৈ কঠিন বুলি বিবেচিত মেডিকেল প্ৰৱেশ পৰীক্ষাসমূহৰ অন্যতম জে আই পি এম ই আৰৰ ফলাফল অলপতে ঘোষণা কৰিছে। উক্ত পৰীক্ষাত ■ ৮ পৃষ্ঠাত


